# ৬৮ লাখ এনআৰচি আবেদনপত্ৰৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে আমি নাগৰিকপঞ্জী উন্নীতকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰ্য্যায়ত প্ৰৱেশ কৰিছোঁ!

NRC
NATIONAL REGISTER OF CITIZENS

**সঠিক পৰীক্ষণৰ যোগেদি এখন শুদ্ধ উন্নীতকৃত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰা হ'ব।**
**অসমৰ অবৈধ অনুপ্ৰৱেশকাৰীৰ সমস্যাটোৰ সমাধানৰ দিশত এইটোৱে হয়তো শেষ সুযোগ।**

## স্বচ্ছতাৰ প্ৰতি থকা আমাৰ দায়বদ্ধতা অনুসৰি পৰীক্ষণ প্ৰক্ৰিয়াৰ সবিশেষ তলত দাঙি ধৰা হ'ল ঃ

## আপোনাৰ সহযোগ, আমাৰ সাফল্য

### আপোনালোকৰ সঁহাৰিৰ বাবে ধন্যবাদ জ্ঞাপন কৰা হ'ল!

১) ৬৮.৩৩ লাখ আবেদনপত্ৰ আৰু প্ৰায় ৫ কোটি নথি-পত্ৰ পোৱা হৈছে।

২) আবেদনপত্ৰ আৰু সংলগ্ন নথি সমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া ১ চেপ্তেম্বৰ, ২০১৫ৰ পৰা আৰম্ভ হৈছে।

### পৰীক্ষণ প্ৰক্ৰিয়াৰ শেহতীয়া বাৰ্তা

১) আবেদনপত্ৰসমূহ 'ডিজিটাইজ' কৰাৰ কাম পূৰ্ণগতিত চলি আছে আৰু ১৫ নবেম্বৰ, ২০১৫ তাৰিখৰ ভিতৰত সম্পন্ন কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। 'ডাটা এন্ট্ৰি' কৰাৰ বাবে ৭২০০ গৰাকী অপাৰেটৰ নিয়োগ কৰা হৈছে।

২) প্ৰায় ৪০% নথি-পত্ৰ স্থানীয় পৰ্য্যায়ত পৰীক্ষা কৰি থকা হৈছে আৰু বাকীখিনি জিলা / ৰাজ্যিক পৰ্য্যায়ত প্ৰদানকাৰী কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদত্ত মূল নথিৰ লগত মিলাই সত্যাসত্যতা নিৰূপণৰ বাবে পঠিয়াই থকা হৈছে।

৩) নথি-পত্ৰসমূহ পৰীক্ষণৰ বাবে বিভিন্ন স্থানলৈ প্ৰেৰণৰ উদ্দেশ্যে শেহতীয়া প্ৰযুক্তিৰ চফট্‌ৱেৰ প্ৰস্তুত কৰা হৈছে যাতে প্ৰায় ৫ কোটি নথি-পত্ৰ পৰীক্ষা কৰাৰ এই বিশাল প্ৰক্ৰিয়া ডিচেম্বৰ, ২০১৫ৰ ভিতৰত সম্পন্ন কৰাটো সম্ভৱপৰ হয়।

৪) পৰীক্ষণকাৰী দলৰ বাবে ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ সা-সামগ্ৰীৰ 'কিট্'ৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে য'ত ভুৱা দাবী সহজে চিনাক্তকৰণৰ বাবে উন্নত শেহতীয়া চফট্‌ৱেৰ-সম্ভূত ৰিপ'ৰ্টসমূহ মজুত থাকিব।

৫) অক্টোবৰ ২০১৫ ৰ দ্বিতীয় সপ্তাহৰ পৰা ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ কাম আৰম্ভ হৈছে আৰু নৱেম্বৰ ২০১৫ ৰ দ্বিতীয়াৰ্দ্ধত এই কামৰ প্ৰথম পৰ্য্যায় সম্পন্ন হ'ব।

৬) দ্বিতীয় পৰ্য্যায়ত, অধিক গভীৰভাৱে অনুসন্ধানৰ প্ৰয়োজনীয়তা থকা দাবীসমূহৰ কাম হাতত লোৱা হ'ব।

৭) ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ প্ৰথম পৰ্য্যায়ত ৰাইজৰ পৰা তেওঁলোকে আবেদনত ব্যৱহাৰ কৰা লিগেচি ব্যক্তিজন, তেওঁৰ স্বামী / স্ত্ৰী, সন্তান আৰু নাতি-নাতিনী সম্বলিত বংশবৃক্ষ (Family Tree Detail)ৰ তথ্য গ্ৰহণ কৰা হ'ব। সমগ্ৰ ৰাজ্যত প্ৰাপ্ত আবেদনপত্ৰৰ তথ্যসমূহ এই পদ্ধতিৰ দ্বাৰা প্ৰাপ্ত তথ্যৰ লগত মিলাই চোৱাত সহায়ক হ'ব। আবেদনকাৰীৰ দ্বাৰা নিজে উল্লেখ কৰা বংশবৃক্ষৰ লগত যদি চফট্‌ৱেৰৰ দ্বাৰা আবেদনপত্ৰত উল্লখিত তথ্যৰ ভিত্তিত প্ৰস্তুতকৃত বংশবৃক্ষৰ অমিল হয় তেনেক্ষেত্ৰত পৰীক্ষণকাৰী দলে অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ দ্বাৰা কৰা ভুৱা দাবী চিনাক্ত কৰিবলৈ গভীৰ অনুসন্ধানৰ বাবে ইয়াক ব্যৱহাৰ কৰিব পাৰিব।

### পৰীক্ষণ প্ৰক্ৰিয়াৰ মৌলিক কথাসমূহ

**কাৰ্য্যালয় পৰীক্ষণ পদ্ধতি ঃ** সাধাৰণতে যিকোনো নথিৰ সত্যাসত্যতা পৰীক্ষণৰ বাবে আবেদনকাৰীৰ দ্বাৰা দাখিল কৰা নথিৰ ফটোকপি আবেদনকাৰীৰ লগত থকা মূল নথিৰ সৈতে মিলাই চাই নিৰূপণ কৰা হয়। বিশ্ববিদ্যালয়ত নাম ভৰ্তি বা নিযুক্তিৰ সময়ত এনেদৰেই পৰীক্ষা কৰি থকা হৈছে। কিন্তু নিৰ্ভুল নাগৰিকপঞ্জী এখন প্ৰস্তুতিৰ বাবে এই পৰীক্ষণ পদ্ধতি যথেষ্ট নহয়। এইক্ষেত্ৰত পৰীক্ষণ প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে পানী নসৰকা ধৰণৰ হ'ব লাগিব। সেয়েহে, দাখিল কৰা ৫ কোটি নথি-পত্ৰৰ প্ৰতিখন নথি মূল নথি প্ৰদান কৰা কৰ্তৃপক্ষলৈ নিম্নলিখিত বিষয়সমূহ নিশ্চিতকৰণৰ বাবে পঠিওৱা হ'ব।

১) সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা আচলতে সেই নথি প্ৰদান কৰা হৈছে নে নাই।

২) সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ তথ্যপাতিৰ লগত আবেদনকাৰীয়ে দাখিল কৰা নথিৰ তথ্য-পাতিৰ হুবহু মিল আছে নে নাই।

### এইদৰেই কাৰ্য্যালয় পৰীক্ষণত ভুৱা/জাল নথিসমূহ চিহ্নিত কৰি খাৰিজ কৰা হ'ব

**ক্ষেত্ৰভিত্তিক পৰীক্ষণ পদ্ধতি ঃ**

**নিম্নলিখিত কাম সম্পন্ন কৰিবলৈ পৰীক্ষণকাৰী দল ঘৰে ঘৰে যাব ঃ**

১) আবেদনকাৰীৰ পৰিচয় প্ৰতিপন্ন কৰা আৰু প্ৰপত্ৰৰ লগত জমা দিয়া ফটোৰ চিনাক্তকৰণ।

২) দাখিল কৰা নথিপত্ৰসমূহ মূল নথিপত্ৰৰ সৈতে মিলাই চোৱা।

৩) দাখিল কৰা নথিপত্ৰসমূহ যে সংশ্লিষ্ট আবেদনকাৰীৰ সেয়া নিশ্চিত কৰা।

৪) তালিকা-'B'ৰ নথিৰ জৰিয়তে দাবী কৰা সম্পৰ্কৰ পৰীক্ষণ।

৫) তালিকা-'B'ৰ নথি জমা নিদিয়া সকলৰ ক্ষেত্ৰত পৰীক্ষণকাৰী দলৰ দ্বাৰা আইনী পদ্ধতি (Quasi-Judicial)ৰে সম্পৰ্কসূত্ৰ প্ৰমাণ কৰা।

৬) লিগেচি ডাটাত থকা ভুল নাম / 'ওৰফে' (ঘৰুৱা নাম)ৰ ক্ষেত্ৰত সঠিক তথ্য নিৰ্দ্ধাৰণ কৰা।

৭) প্ৰয়োজনবোধে আবেদনপত্ৰ শুধৰণি কৰা আৰু পূৰণ নকৰাকৈ কোনো দফা থাকিলে তাক পূৰণ কৰা।

৮) কোনো অতিৰিক্ত নথি সংগ্ৰহ কৰা।

৯) বংশবৃক্ষৰ (পৰিয়ালৰ সদস্যসকলৰ তালিকা) সবিশেষ তথ্য সংগ্ৰহ কৰা, যাতে অসমৰ বিভিন্ন স্থানৰ পৰা কৰা আবেদনৰ তথ্যৰ লগত মিলাই চাব পৰা যায়। আবেদনকাৰীৰ দ্বাৰা বংশবৃক্ষ প্ৰ-পত্ৰ (Manual Family Tree Form)ত দাখিল কৰা তথ্য আৰু চফট্‌ৱেৰৰ দ্বাৰা প্ৰস্তুতকৃত বংশবৃক্ষৰ তথ্যৰ লগত মিলাই চোৱা প্ৰক্ৰিয়াটো ভুৱা দাবী চিহ্নিতকৰণৰ বাবে এক অতি গুৰুত্বপূৰ্ণ পদ্ধতি হ'ব।

## ৰাইজৰ ভূমিকা

**পৰীক্ষণ পদ্ধতি যদিও বিধিগতভাৱে কৰ্তৃপক্ষৰ দ্বাৰা সম্পাদনৰ বিষয়, তথাপিও ৰাইজৰ সমৰ্থন আৰু সক্ৰিয় সহযোগ অবিহনে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এই পৰ্য্যায় সুকলমে সম্পন্ন কৰিব পৰা নহ'ব। সেয়ে আমি ৰাইজলৈ আবেদন জনাইছোঁ যে -**

১) আবেদনপত্ৰ গ্ৰহণৰ পৰ্য্যায়ত কৰাৰ দৰে এই পৰ্য্যায়তো আপোনালোকে অতি আগ্ৰহেৰে অংশগ্ৰহণ কৰিব।

২) **ৰাইজে তথা স্বেচ্ছাসেৱী সংগঠনসমূহেও নিজে আগবাঢ়ি আহি কৰ্তৃপক্ষৰ পৰা পৰীক্ষণৰ খতিয়ান লোৱাৰ লগতে সকলো প্ৰকাৰে সক্ৰিয় সহযোগ আগবঢ়াব।**

৩) পৰীক্ষণকাৰী দললৈ সহযোগিতা আগবঢ়াব। এইটো মনত ৰাখিব লাগিব যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে কেৱল আবেদন দাখিল কৰাই যথেষ্ট নহয়। এনআৰচিত নাম অন্তৰ্ভুক্তিৰ নিশ্চয়তা পৰীক্ষণ প্ৰক্ৰিয়াৰ ফলাফলৰ ওপৰতহে নিৰ্ভৰ কৰিব।

৪) কিছু আবেদনকাৰীয়ে আবেদনপত্ৰৰ লগত আইনমতে গ্ৰহণযোগ্য নোহোৱা নথি দাখিল কৰিছে, যেনে - স্কুল কৰ্তৃপক্ষৰ দ্বাৰা জাৰী কৰা জন্মৰ প্ৰমাণপত্ৰ ইত্যাদি। তেনেক্ষেত্ৰত পৰীক্ষণকাৰীৰ দলে দাবী সাব্যস্ত কৰাৰ বাবে অন্য কোনো নথি বা প্ৰমাণপত্ৰ বিচাৰিব। অনুগ্ৰহ কৰি গ্ৰহণযোগ্য নথিৰ ফটোকপি দাখিল কৰিব।

৫) কিছু কিছু আবেদনপত্ৰত কিছু প্ৰশ্নৰ উত্তৰ ভুলকৈ পূৰণ কৰা হৈছে আৰু কিছু প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই। এইক্ষেত্ৰত ভুল শুধৰাবলৈ আৰু খালী ঠাই পূৰাবলৈ পৰীক্ষণকাৰী দলৰ লগত সহযোগিতা কৰিব। পৰিয়ালৰ মূৰব্বী বা অন্য কোনো প্ৰাপ্তবয়স্ক সদস্যই শুধৰণি কৰা ঠাইসমূহত স্বাক্ষৰ কৰি শুধৰণিসমূহ প্ৰত্যায়িত কৰিব লাগিব।

৬) দাখিল কৰা নথিপত্ৰসমূহৰ মূল কপিসমূহ পৰীক্ষণকাৰী দলৰ দ্বাৰা পৰীক্ষণৰ বাবে সাজু কৰি ৰাখিব।

৭) পৰীক্ষণৰ বাবে প্ৰয়োজন হ'ব পৰা অন্যান্য / অতিৰিক্ত নথিসমূহো পৰীক্ষণকাৰী দলক দেখুৱাবলৈ সাজু কৰি ৰাখিব।

৮) আবেদনপত্ৰ জমা দিয়াৰ পিছত পৰিয়ালত জন্ম বা মৃত্যু হোৱা লোকৰ সবিশেষ তথ্য জনাব লাগিব আৰু তাৰ উপযুক্ত প্ৰমাণপত্ৰ দেখুৱাব লাগিব।

৯) এনআৰচি সেৱা কেন্দ্ৰসমূহত উপলব্ধ আৰু এনআৰচি ৱেবচাইট (www.nrcassam.nic.in)যোগে ডাউনলোড কৰিব পৰা পৰিয়ালৰ বংশবৃক্ষ (Manual Family Tree Form) প্ৰপত্ৰত পৰিয়ালৰ সদস্যৰ সবিশেষ তথ্য (লিগেচি ব্যক্তিৰ নাম আৰু তেওঁৰ স্বামী / স্ত্ৰী, সন্তান আৰু নাতি-নাতিনীয়েক আদি) হাতেৰে পূৰণ কৰক। **এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ বাবে এইখিনি আপোনাৰ এক গুৰুত্বপূৰ্ণ অৱদান হ'ব।** যদি, লিগেচি ব্যক্তিজন আপোনাৰ ককা হয় তেনেহ'লে তেওঁৰ সন্তানসকলৰ তালিকা এখন দিব। যেনে - আপোনাৰ দেউতা, আপোনাৰ খুড়া, বৰদেউতা, পেহী আৰু আপোনাৰ ককাৰ নাতি-নাতিনীয়েক যেনে - আপুনি, আপোনাৰ ভাই-ককাই, বাই-ভনী আৰু আপোনাৰ খুড়া / বৰদেউতা / পেহীৰ পুত্ৰ-কন্যাসকল। লিগেচি ব্যক্তিজন যদি আপোনাৰ দেউতা হয়, তেনেহ'লে আপোনাৰ ভাই-ককাই আৰু বাই-ভনীৰ তালিকা এখন দিব আৰু লগতে আপোনাৰ আৰু তেওঁলোকৰ পুত্ৰ-কন্যাৰ নামো লিখিব। এই তালিকাখনেই নিশ্চিত কৰিব যে কোনো অসৎ লোকে আপোনাৰ পিতৃ পুৰুষৰ লিগেচি কোডৰ অপব্যৱহাৰ কৰি নিজৰ নাম এনআৰচিত অন্তৰ্ভূক্ত কৰিব নোৱাৰে। সম্ভৱপৰ ক্ষেত্ৰত লিগেচি ব্যক্তিজনৰ যদি কোনো অতিৰিক্ত অব্যৱহৃত লিগেচি ডাটা কোড আছে তেনেহ'লে তাৰো উল্লেখ কৰিব।

১০) কোনো বিষয়া-কৰ্মচাৰীয়ে কৰ্তব্যত অৱহেলা কৰা দেখিলে আমাক অৱগত কৰিব।

১১) কোনো অসৎ ব্যক্তিয়ে ভুৱা উপায়েৰে এনআৰচিত নাম সুমুৱাবলৈ চেষ্টা কৰা দেখিলে আমাক অৱগত কৰিব।

১২) পৰীক্ষণকাৰী দলৰ দ্বাৰা হাৰাশাস্তিৰ সন্মুখীন হ'লে আমাক জনাব।

১৩) ক্ষেত্ৰ পৰীক্ষণৰ সময়ত পৰীক্ষণকাৰী দল আহোঁতে ঘৰত নথকাসকলে বা বৰ্তমান ৰাজ্যৰ বাহিৰত থকাসকলে ১৫ নৱেম্বৰ, ২০১৫ তাৰিখৰ পূৰ্বে তেওঁলোকৰ অঞ্চলৰ বাবে মনোনীত এনআৰচি সেৱা কেন্দ্ৰলৈ গৈ তেওঁলোকৰ দাবীসমূহ পৰীক্ষা কৰাই ল'ব পাৰে। যিসকল লোকে অসমৰ বাহিৰত বসবাস কৰি আছে আৰু অনলাইনযোগে আবেদনপত্ৰ দাখিল কৰিছে, তেওঁলোকে এনআৰচি ৱেবচাইটৰ "ন'ইয়'ৰ এনএছকে" (Know Your NSK) শিতান চাই নিজৰ এনআৰচি সেৱা কেন্দ্ৰৰ বিষয়ে জানিব পাৰিব।

***ৰাজ্যখনৰ বাবে এক শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰকাশ কৰি উলিয়াবলৈ আমি দায়বদ্ধ!***
***ইতিহাসত এই অধ্যায় সন্নিবিষ্ট কৰিবলৈ আহক আমি সকলোৱে সমবেতভাৱে প্ৰয়াস কৰোঁ।***

| *বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে* | আমাৰ টোল ফ্ৰী হেল্পলাইন নম্বৰ ১৫১০৭ (15107) | আমাৰ ৱেবচাইট www.nrcassam.nic.in | ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত। |
|---|---|---|---|

nrcassam @NRCupdateAssam ত চাওক

Exclusive/NRC/04-2015/27